**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 07-02-2026**
**Time : 21-25 Hrs.**

## ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা এ ডি আৰ ইৰ জৰিয়তে ৯৫ শতাংশ অসমীয়া ল'ৰা-ছোৱালীয়ে চাকৰি লাভ কৰা বুলি প্ৰকাশ কৰিছে। গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আজি মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰথম কিস্তিৰ ধন বিতৰণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। ড° শৰ্মাই কয়, যে বিগত ৫ বছৰত প্ৰশাসনে ৰাজ্যৰ বাবে অভূতপূৰ্ব কাম কৰিছে। তেওঁ লগতে বৰ্তমান চৰকাৰখনে সাহসেৰে জাতিটোৰ বাবে কাম কৰা প্ৰথমখন চৰকাৰ বুলি মন্তব্য কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী

সম্প্ৰতি দিশপুৰত চলি থকা ৰাজ্যৰ মন্ত্ৰীসভাৰ বৈঠকত গৌৰৱ গগৈৰ এছ আই টিৰ প্ৰতিবেদন উত্থাপন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। মন্ত্ৰীসভাত গৃহীত হোৱাৰ পাছতে গৌৰৱ গগৈৰ পাকিস্তান যোগসূত্ৰৰ পৰৱৰ্তী তদন্তৰ পথ নিৰ্ণয় হ'ব বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে।

০০০০

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগৰ এটা দল দুদিনীয়া ভ্ৰমণসূচীৰে আজি গুৱাহাটীত উপস্থিত হৈছে। সঞ্জয় কুমাৰ আৰু ভানু কুমাৰ য়াটুবক লৈ গঠিত উপ-নিৰ্বাচন আয়ুক্তৰ দলটোৱে ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁলোকে প্ৰতিখন জিলাৰ আয়ুক্ত আৰু শীৰ্ষ আৰক্ষী বিষয়াৰ সৈতেও আলোচনা কৰিব। দলটোৱে ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ সৈতেও আলোচনাত মিলিত হ'ব। ১৭ ফেব্ৰুৱাৰীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীৰে গঠিত আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহি ৰাজ্যখনৰ নিৰ্বাচনী প্ৰস্তুতি পৰ্যালোচনা কৰাৰ লগতে সাম্প্ৰতিক পৰিস্থিতিৰ বুজ ল'ব। দুয়োটা দলে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লৈ উভতি যোৱাৰ পাছতে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ফেব্ৰুৱাৰীৰ অন্তিম ভাগত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰিছিল।

০০০০

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কক' অঞ্চলৰ মিনশ্বিংগাতত কয়লা খনিত বিস্ফোৰণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২৭ লৈ বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে আজি আৰু দুজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰে। বৰ্তমানলৈকে উদ্ধাৰ কৰা ১৭টা মৃতদেহ চিনাক্ত কৰা হৈছে আৰু যাৱতীয় আইনী ব্যৱস্থা সম্পূৰ্ণ কৰাৰ পাছত পৰিয়ালৰ লোকক মৃতদেহ চমজাই দিয়া হৈছে। এই ঘটনাৰ সৈতে জড়িত দুজনক গ্ৰেপ্তাৰ কৰি কালি আদালতত হাজিৰ কৰোৱা হয়। দুয়োজন লোকক তিনিদিনৰ বাবে আৰক্ষীৰ জিম্মাত ৰখা হৈছে। আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰখাৰ লগতে ইয়াৰ সৈতে জড়িত আন সকলক চিনাক্ত কৰাৰ বাবে অভিযান

চলাই আছে। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে কয়লা খনিটোত এতিয়াও বহুলোক আবদ্ধ হৈ আছে। কয়লা খনিত কাম কৰিবলৈ যোৱা ছজন শ্ৰমিকৰ পৰিয়ালে তেওঁলোক এতিয়াও সন্ধানহীন হৈ আছে বুলি জনাইছে। ঘটনাস্থলীত সম্প্ৰতি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনী, এন ডি আৰ এফ, সীমান্ত সুৰক্ষা বাহিনী আৰু চিকিৎসকৰ দল উদ্ধাৰ অভিযানত নিয়োজিত হৈ আছে।

০০০০

সমাগত বিধানসভা নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ তৎপৰতা আৰু সমষ্টি পুনৰ গঠনৰ পাছত নিৰ্বাচনী প্ৰেক্ষাপট সন্দৰ্ভত আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰে। এই অনুষ্ঠানত বিভিন্ন সমষ্টিত ৰাজনৈতিক দলসমূহৰ সম্ভাব্য প্ৰাৰ্থী আৰু অন্যান্য বিষয় সন্দৰ্ভত আকাশবাণীৰ শ্ৰীভূমি, বঙাইগাওঁ, বৰপেটা, গুৱাহাটী মহানগৰ, নগাওঁ আৰু শিৱসাগৰ জিলাৰ সংবাদদাতাসকলে আলোকপাত কৰে। অনুষ্ঠানত অংশ লৈ সাংবাদিক যদুমণি শইকীয়াইও সমষ্টিসমূহৰ নিৰ্বাচনী আলেখ লেখ সন্দৰ্ভত ব্যাখ্যা কৰে। অনুষ্ঠানটোৰ আঁত ধৰে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

২৪ সংখ্যক বড়োলেণ্ড দিৱস উপলক্ষে বিটিচি প্ৰশাসনে অহা ১০ ফেব্ৰুৱাৰীত বিটিচি অঞ্চলত স্থানীয় বন্ধ ঘোষণা কৰিছে। সেইদিনা অঞ্চলটোৰ শিক্ষানুষ্ঠান, ব্যক্তিগত প্ৰতিষ্ঠানকে ধৰি সকলো অনুষ্ঠান বন্ধ থাকিব। অৱশ্যে অত্যাৱশ্যকীয় সেৱা আগবঢ়োৱা প্ৰতিষ্ঠানসমূহক বন্ধৰ পৰা ৰেহাই দিয়া হ'ব বুলি প্ৰশাসনৰ সূত্ৰই সদৰি কৰিছে।

০০০০

আই চি চি পুৰুষ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত অনুষ্ঠিত খেলত আজি ভাৰতে-আমেৰিকাক জয়ৰ বাবে ১৬২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ভাৰতে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৬১ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আমেৰিকাই এই বাতৰি যুগুতোৱাৰ পৰলৈ ৩ অভাৰত ২ টা উইকেট হেৰুৱাই ১২ ৰান সংগ্ৰহ কৰিছে।

প্ৰতিযোগিতাৰ আজি ইডেন গাৰ্ডেনছত দ্বিতীয়খন খেলত ৱেষ্ট ইণ্ডিজে স্কটলেণ্ডক ৩৫ ৰাণত পৰাস্ত কৰে। খেলখনত স্কটলেণ্ডে ১৮৩ ৰাণৰ লক্ষ্যৰে খেলি ১৪৭ ৰাণতে অল আউট হয়। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত অভাৰত ৫ উইকেট হেৰুৱাই ১৮২ ৰাণ কৰে। উল্লেখযোগ্য যে শ্ৰীলংকাৰ কলম্বোৰ ছিংহালিচ স্পৰ্টছ ক্লাবত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলত পাকিস্তানে নেডাৰলেণ্ড্ছক ৩ উইকেটত পৰাস্ত কৰে। পাকিস্তানে ১৪৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অ'ভাৰ আৰু তিনিটা বলত ৭ টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। অহা ৮ মাৰ্চলৈকে চলিবলগীয়া এই প্ৰতিযোগিতাত ২০ দলে অংশগ্ৰহণ কৰিছে। ভাৰত আৰু শ্ৰীলংকাৰ বিভিন্ন স্থানত মুঠ ৫৫ খন খেল অনুষ্ঠিত হ'ব।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**